# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 23-10-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

ৰাজ্যৰ পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা ক্ৰমাৎ বৃদ্ধি পাইছে। বিহালী সমষ্টিত ভাৰতীয় জনতা পাৰ্টি প্ৰক্ষেপিত প্ৰাৰ্থী দিগন্ত ঘাটোৱাৰে বিশ্বনাথ জিলা আয়ুক্ত কাৰ্যালয়ত আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মন্ত্ৰী পীযুষ হাজৰিকা, ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ লগতে ভালেকেইজন সাংসদ আৰু বিধায়ক উপস্থিত থাকে। এই উপলক্ষে বিজেপিৰ এটা জনসমাৰেশত মন্ত্ৰী শ্ৰী হাজৰিকাই ৰাইজক বিজেপিৰ প্ৰাৰ্থীগৰাকীক বিপুল সংখ্যক ভোটত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। ধলাই সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিহাৰৰঞ্জন দাসে কাইলৈ আৰু চামগুৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই পৰহিলৈ মনোনয়ন পত্ৰ দাখিল কৰিব।

ইফালে, বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে সন্মিলিত মৰ্চাৰ প্ৰাৰ্থী প্ৰদানক লৈ হোৱা মতানৈক্যৰ বাবে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই অসম সন্মিলিত মৰ্চাৰ সভাপতি পদৰ পৰা আজি পদত্যাগ কৰিছে।

কংগ্ৰেছে চিদলী বিধানসভা সমষ্টিৰ কাৰণে প্ৰক্ষেপ কৰা প্ৰাৰ্থী সঞ্জীৱ ওৱাৰিয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ পূৰ্বে কাজলগাঁৱৰ বৈসুন গাঁৱত আজি অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকাৰী সভাপতি জাকিৰ হুছেইন শিকদাৰৰ উপস্থিতিত কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ সমৰ্থনত এখন সভা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে সমষ্টিটোত উপ-নিৰ্বাচনত প্ৰতিনিধিত্ব কৰিবৰ বাবে ইতিমধ্যে ৭ জন লোকে মনোনয়ন পত্ৰ দাখিল কৰিছে।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰীকছ ৰাষ্ট্ৰসমূহক সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী সংগঠনক পুঁজি প্ৰদানৰ বিৰুদ্ধে একগোট হৈ পাৰস্পৰিক সহযোগিতা শক্তিশালী কৰি তোলাৰ বাবে আহ্বান জনাইছে। আজি কাজানত অনুষ্ঠিত ব্ৰীকছ ৰাষ্ট্ৰসমূহৰ যোড়শ শীৰ্ষ সন্মিলনৰ পূৰ্ণাংগ অধিৱেশনত দিয়া ভাষণত শ্ৰী মোদীয়ে এইবিষয়ে প্ৰকাশ কৰি কয় যে, এনেধৰণৰ গুৰুতৰ বিষয় এটাৰ ক্ষেত্ৰত দ্বিমত ৰখাৰ অৱকাশ নাথাকে। তেওঁ লগতে ৰাষ্ট্ৰসংঘত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সন্ত্ৰাসবাদ সম্পৰ্কীয় বিবেচনাধীন বিষয় উত্থাপনৰ বাবে একগোট হৈ কাম কৰিবলৈও আহ্বান জনায়। তেওঁ লগতে চাইবাৰ সুৰক্ষাৰ বাবে গোলকীয় নীতি নিৰ্ধাৰণ, সুৰক্ষিতভাৱে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সম্প্ৰতি বিশ্বই চাইবাৰ সুৰক্ষা, প্ৰযুক্তি ক্ষেত্ৰত ভুৱা তথ্য ব্যৱহাৰকে ধৰি  বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা পৰিপ্ৰেক্ষিতত ব্ৰীকছ ৰাষ্ট্ৰসমূহৰ প্ৰতি প্ৰত্যাশা বৃদ্ধি পাইছে।

**বাইট**

প্ৰধানমন্ত্ৰীয়ে আজি ৰাছিয়াৰ কাজানত অনুষ্ঠিত ব্ৰিকছ শীৰ্ষ সন্মিলনৰ সুযোগতে চীনৰ ৰাষ্ট্ৰপতি শ্বি জিনপিঙৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাত টহল ব্যৱস্থাপনা সন্দৰ্ভত দুয়োখন দেশ এখন চুক্তিত উপনীত হোৱাৰ পৰিপ্ৰেক্ষিতত এই বৈঠক বিশেষ তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। প্ৰধানমন্ত্ৰী মোদী আৰু চীনৰ ৰাষ্ট্ৰপতিৰ মাজত বিগত ২২ বছৰত এয়া প্ৰথমখন সুপৰিকল্পিত বৈঠক হ'ব। ইয়াৰ

পূৰ্বে দুয়োগৰাকী নেতা ২০২৩ বৰ্ষত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰীকছ্ শীৰ্ষ সন্মিলনৰ আপাহতে বৈঠকত মিলিত হৈছে আৰু বৈঠকত শ্ৰীমোদীয়ে ভাৰত-চীন সীমান্ত এলেকাৰ পশ্চিম খণ্ডৰ প্ৰকৃত নিয়ন্ত্ৰণ ৰেখাৰ অমীমাংসিত বিষয়সমূহক লৈ উদ্বেগ প্ৰকাশ কৰিছিল।

০০০০০

শেহতীয়াভাৱে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ডেংগিত কোনো ৰোগীৰ মৃত্যু হোৱা নাই বুলি কৰ্তৃপক্ষই সদৰি কৰিছে। এই সন্দৰ্ভত অধীক্ষক ডাঃ অভিজিৎ শৰ্মাই সংবাদ মাধ্যমৰ আগত কয় যে বিগত বৰ্ষৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত ডেংগিত আক্ৰান্ত ১৭০ জন লোকক ভৰ্তি কৰোৱা হৈছিল। এই বছৰ ৮৩ জন ডেংগি আক্ৰান্তৰ নাম পঞ্জীয়ন কৰা হৈছে। ইয়াৰ ভিতৰত তিনিজন ৰোগী সম্প্ৰতি চিকিৎসাধীন হৈ থকাৰ বিপৰীতে অন্য তিনিজনৰ মৃত্যু ঘটিছে। ডাঃ শৰ্মাই ডেংগি প্ৰতিৰোধৰ বাবে জনসাধাৰণক আঁঠুৱা ব্যৱহাৰ কৰাৰ লগতে ধোঁৱা দিয়াৰ ব্যৱস্থা, নলা-নৰ্দমা পৰিষ্কাৰ কৰি ৰাখিবলৈ আহ্বান জনাইছে।

০০০০০

তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যলয়ৰ সহযোগত আজি তামুলপুৰ জিলাৰ তৃতীয় বৰ্গৰ কৰ্মচাৰীসকলৰ প্ৰথমটো গোটৰ চাৰিদিনীয়া কাৰ্যসূচী আৰম্ভ হয়। তামুলপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰথমদিনৰ কাৰ্যসূচীৰ জিলা আয়ুক্তই শুভাৰম্ভ কৰে। উন্নত মানৰ জনসেৱা প্ৰদানৰ বাবে চৰকাৰী কৰ্মচাৰীসকলৰ সামৰ্থ তথা কৰ্মক্ষমতা বৃদ্ধিৰ উদ্দেশ্যেৰে এই প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি জিলা আয়ুক্তই জানিবলৈ দিছে। আজিৰ কাৰ্যসূচীত প্ৰায় ৭২ গৰাকী কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। জিলা আয়ুক্তৰ লগতে অতিৰিক্ত আয়ুক্ত, নিৰ্বাচনী বিষয়া আৰু তিনিগৰাকী প্ৰশিক্ষক সমল ব্যক্তি হিচাপে উপস্থিত থাকে। চাৰিদিনীয়া এই প্ৰশিক্ষণ কাৰ্যসূচীৰ ২৮ অক্টোবৰত সামৰণি পৰিব।

০০০০০

সমাপ্ত